আমাৰ মাজত বিভেদ-বৈষম্য আগতেও আছিল এতিয়াও আছে, কিন্তু তাকে লৈ ব্যস্ত থকা অসমীয়াৰ ধৰ্ম নহয়; সকলো বিভেদক জয় কৰি নিজৰ বিশুদ্ধ শ্ৰমৰ মাজেৰে দেশে পূৰ্ণতা পাব; তাকে নকৰিলে দেশৰ ঐক্য-শান্তি-সম্প্ৰীতি ভাগি-ছিগি যাব। তাতকৈয়ো অস্বাস্থ্যকৰ কথাটো হ'ল অসমৰ বুকুত অসমীয়া মানুহে ভিক্ষাৰ জোলোঙা লৈ পেট প্ৰৱৰ্তাব লাগিব।



# 'আমি অসমীয়া...'ৰ পমখেদি ৰসৰাজৰ অভিমান আৰু সুধাকণ্ঠৰ সমিধান

কুশল কুমাৰ দাস

আজিৰ প্ৰজন্মৰ দৃষ্টিত নপৰা এটি কবিতা 'অসম সংগীত' পঢ়ি এসময়ত গৌৰৱত ওফন্দি থকা অসমীয়াৰ মন উগুল-থুগুল কৰিছিল। সেই কবিতাৰ অৰ্থবোধক সুধাকণ্ঠই সমিধান হিচাপে সজাই তুলিছে এটি গীত। অসমীয়া জাতিৰ সংকটৰ উমান বুজি অমৰ সুৰৰ বাণী এই গীতৰ মাজেৰে সকীয়নি দি গৈছে। সেই গীতৰ ভাষা অসমীয়াৰ ৰন্ধ্ৰে ৰন্ধ্ৰে যদিও প্ৰতিজন অসমীয়াৰ সজাগতা এতিয়াও ধূসৰ। সুধাকণ্ঠৰ শতবৰ্ষপূৰ্তি উদ্‌যাপনৰ সময়ত ৰজাঘৰ-প্ৰজাঘৰ উখল-মাখল। গীতৰ বন্যা চৌদিশে বিয়পি পৰিব, সুধাকণ্ঠৰ পৰিপূৰক চৰ্চা হ'ব, ইয়াৰ পাছতো অসমীয়াৰ সংকটৰ উপশমৰ সম্ভাৱনা নাই! এনে উত্তৰৰ পম খেদি দুয়োজন স্ব-নামধন্যৰ সম্পৰ্কই অসমীয়াক কৈ যোৱা কথাখিনি শতবৰ্ষত প্ৰাসংগিক বুলিয়ে আগবাঢ়িছোঁ। ৰসৰাজৰ 'অ' মোৰ আপোনাৰ দেশ...' আৰু 'আমি অসমীয়া নহওঁ দুখীয়া...' গীত আৰু কবিতাত দেশপ্ৰেম আৰু স্বাভিমানৰ আত্মপ্ৰকাশ; আনহাতে সুধাকণ্ঠৰ আটাইতকৈ দীৰ্ঘ পৰিসৰৰ গীত— 'আমি অসমীয়া নহওঁ দুখীয়া'ত তেওঁ আৱেগ বহিৰ্ভূত ইতিহাসৰ গৌৰৱ গাঁথাক বুকুত লৈ হাতে-কামে আগবাঢ়ি যোৱাৰ বাবে আৰু আত্মচেতনা জাগ্ৰত কৰিবলৈ এই গীতৰ শৰাই। 'অ' মোৰ আপোনাৰ দেশ' স্বাধীনতাপূৰ্ব ১৯১০ চনত বাঁহী আলোচনী আৰু ১৯১৩ চনত 'কদমকলি' কবিতাপুথিত প্ৰকাশ হৈছিল; উপনিৱেশিক শাসন কালৰ চৰকাৰৰ দিনত ১৯১৩ চনৰ ১৫ ডিচেম্বৰত জাতীয় সংগীত হিচাপে স্বীকৃতি লাভ কৰাৰ উপৰি ১৯২৭ চনত তেজপুৰত অনুষ্ঠিত অসম সত্ৰ সন্মিলনতো জাতীয় সংগীত ৰূপে গ্ৰহণ কৰে। 'আমি অসমীয়া নহওঁ দুখীয়া...' ১৯০৯ চনৰ বাঁহী আলোচনীত অতীত গৌৰৱ আৰু জাতীয় চেতনা সম্বলিত বিখ্যাত কবিতা প্ৰকাশ হয়। ৰসৰাজে আৰম্ভণিতে এটা জাতিৰ থাকিবলগীয়া সকলো থকাৰ পাছতো উমঘাম নোলোৱাৰ বাবে আক্ষেপ কৰাৰ সমান্তৰালভাৱে এফালৰ পৰা গৌৰৱময় ইতিহাসৰ বৰ্ণনা দি গৈছে। শংকৰৰ বিশুদ্ধ ধৰম, লাচিতৰ শৌৰ্য-বীৰ্য, জয়মতীৰ সতীত্ব, শংকৰাচাৰ্যৰ গুৰু কুমাৰিল ভট্ট, দুৰ্বলচিতীয়া মোমাই তামুলী, ৰুদ্ৰসিংহ, ভাস্কৰ বৰ্মা, কামৰূপৰ ৰজা শংকলাধিপতি, আনন্দৰাম ঢেকিয়াল ফুকন, আনন্দৰাম বৰুৱা, অভিধান প্ৰণেতা হেমচন্দ্ৰ বৰুৱাৰ পৰা একেবাৰে কবিতাটোৰ শেষত গুণাভিৰাম বৰুৱাৰ অৱদানলৈকে অমৰ কৃতিৰ গুণ-গানেৰে অসমীয়াক সজাগ-সচেতন কৰাৰ অভিলেখ ৰচনা কৰিছে। এনে গৌৰৱৰ ইতিহাসে অসমীয়া জাতিক সদায় সাহস আৰু প্ৰেৰণা দি থাকিব। অসমীয়া মানুহে শূন্যত গদা ঘূৰোৱাৰ প্ৰয়োজন নাই; সকলো আছে, কেৱল অসমীয়াই নুবুজোঁ-নলওঁ গম। শংকৰদেৱৰ সময়তে অসমীয়া জাতি গঠন প্ৰক্ৰিয়া আৰম্ভ হৈছিল যদিও বিভিন্ন ৰাজনৈতিক কাৰণত জাতি একত্ৰিত হোৱাৰ সম্ভাৱনা একবিংশ শতিকাতো থৰক-বৰক। সুধাকণ্ঠই ৰসৰাজৰ কবিতাৰ স্ব-মহিমাৰ হানি-বিঘিনি নোহোৱাকৈ অসমীয়া জাতিক সজাগ কৰিবলৈ কি কৰা উচিত তাৰেই প্ৰতিফলন বেজবৰুৱাৰ গৌৰৱ গাঁথাৰ আধাৰত সৃষ্টি হোৱা সুধাকণ্ঠৰ বিখ্যাত গীতটি। দুখীয়া নহয় বুলি সান্ত্বনা লভি বহি থাকিলে নহ'ব। কি অৱস্থাত অসমীয়া বৰ্তি আছে? এই কথা বিশ্লেষণ কৰি আগবাঢ়িব চেষ্টা নকৰিলে অসমীয়াৰ অস্তিত্ব কালৰ বুকুত হেৰাই যাব। পুৰণি ঐতিহ্যক বুকুত বান্ধি সান্ত্বনা লভি থাকিলে লাভ নাই। ৰসৰাজৰ কবিতাত থকা অতীতৰ ঐশ্বৰ্য-বিভূতিত মছগুল হৈ থকাৰ সময় নহয়; কাৰণ বিশ্বৰ চৌদিশে নানান পৰিৱৰ্তনৰ মাজত অসমীয়া জীয়াই থাকিবলৈ প্ৰথমে নিজক বুজিব লাগিব, চিনিব লাগিব। নহ'লে অসম-অসমীয়া ৰসাতলে যোৱাৰ ইংগিত সুধাকণ্ঠই গীতৰ জৰিয়তে সাৱধান কৰি দিছে। জাতি-উপজাতিৰ ৰহণীয়া সৃষ্টি-কৰ্মৰ মাজত অসমীয়াৰ পৰিচয় নিহিত আছে। আমাৰ মাজত বিভেদ-বৈষম্য আগতেও আছিল এতিয়াও আছে, কিন্তু তাকে লৈ ব্যস্ত থকা অসমীয়াৰ ধৰ্ম নহয়; সকলো বিভেদক জয় কৰি নিজৰ বিশুদ্ধ শ্ৰমৰ মাজেৰে দেশে পূৰ্ণতা পাব; তাকে নকৰিলে দেশৰ ঐক্য-শান্তি-সম্প্ৰীতি ভাগি-ছিগি যাব। তাতকৈয়ো অস্বাস্থ্যকৰ কথাটো হ'ল অসমৰ বুকুত অসমীয়া মানুহে ভিক্ষাৰ জোলোঙা লৈ পেট প্ৰৱৰ্তাব লাগিব। ৰসৰাজে শংকৰদেৱ, লাচিত, জয়মতী, মোমাই তামুলী, ৰুদ্ৰসিংহ, গুৰু কুমাৰিল ভট্ট, ভাস্কৰ বৰ্মা, শংকলাধিপতি, আনন্দৰাম বৰুৱা, ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা আদিৰ শৌৰ্য-বীৰ্যৰ বীৰ-গাঁথা, ধৰ্ম-কৰ্মৰাজি আৰু খ্যাতিৰ বাবে দবা-শংখ, মৃদং, খোল বজাই প্ৰশংসা আৰু সোঁৱৰণিৰ মাজেৰে অসমৰ উন্নতি কামনা কৰিছে। সুধাকণ্ঠৰ গীতত উল্লেখ কৰিছে— অসমীয়া হৈ থাকিবলৈ কি কৰা উচিত? তাৰো দিহা লগাই দিছে— হেংদাংধাৰী লাচিত নাথাকিলেও তেজাল অসমীয়াৰ গাত লাচিতৰ তেজ থাকিবই, গতিকে পিছ পৰি থকাৰ কাৰণ নাই। যদি হাত সাবটি বহি, শুই থকা হয়, তেনেহ'লে অসমীয়া নিজ মাতৃভূমিত ভগনীয়া হ'ব লাগিব। এনে এক ভৱিষ্যতৰ ইংগিত সুধাকণ্ঠই সেই তেতিয়াই অনুভৱ কৰিছিল। আমি যদি স্বাৰ্থপৰ আত্মকেন্দ্ৰিক পৰমুখাপেক্ষী হৈ জীয়াই থাকিব লগা হয় তেনেহ'লে অসম নামৰ অস্তিত্ব কালৰ বুকুত নিশ্চিহ্ন হৈ যাব। দেশপ্ৰেমৰ দৃষ্টান্তৰো অভাৱ হ'ব। জ্যোতিপ্ৰসাদ, অম্বিকাগিৰী আৰু আমাৰ মাজৰ পৰা দেশ মাতৃৰ বাবে জীৱন ত্যাগ কৰা শ্বহীদৰ কথা মনত ৰাখি অসমভূমিৰ বাবে সকলো কৰিব লাগিব। নিজৰ সাতামপুৰুষীয়া পৰিচয় ধৰি ৰাখিবলৈ সংগ্ৰাম অপৰিহাৰ্য। প্ৰত্যাহ্বানৰ মুখামুখি হ'ব নোৱাৰিলে অসমৰ অস্তিত্ব বিপন্ন হ'ব। *১৯৬৮ চনত ৰচনা কৰা বিখ্যাত গীতটোৰ কিছু সংশোধন ১৯৭৯ চনত কৰি অধিক সংগ্ৰামী কৰি তোলা হয়।* সজাগ-সচেতনৰ বাবে সুধাকণ্ঠই দুবাৰকৈ অসমীয়া মানুহক ভগনীয়া হ'ব বুলি সাৱধান বাণী শুনাইছে। সেই সময়তে সুধাকণ্ঠই সমগ্ৰ অসমীয়া জাতিক অসমত বসবাস কৰি থকা লোকৰ সৈতে নিজৰ পৰিচয় অক্ষুণ্ণ ৰখাৰ কথা ক'বলৈ গৈ সকলোৱে আই-মাতৃৰ প্ৰতি থকা মমতাৰ স্বৰূপ একে, তেনে বিশাল হৃদয়ৰ অধিকাৰী হোৱাৰ বাঞ্ছা কৰিছে। লগতে তেওঁ সংমিশ্ৰিত অসমীয়াৰ অনুভৱক স্বীকাৰ কৰি অসমীয়া জাতিক ভাৰতীয়ৰ পৰিচয়েৰে আগবাঢ়ি যোৱাৰ কথা কৈছে। গীতৰ এই অংশৰ বহল ব্যাখ্যাৰ প্ৰয়োজন আছে—প্ৰথম আমাৰ পৰিচয় অসমীয়া, তাৰ পাছতহে ভাৰতীয়, যাক আমি থলুৱা বা খিলঞ্জীয়া আৰু দূৰ-দূৰণিৰ পৰা অহা লুইতৰ দুয়ো পাৰত মাটিৰ মোহত মাতৃভূমি বুলি কোৱা প্ৰতিজন ভাৰতীয়কো নতুন অসমীয়া বুলি কৈছে; আৰু আমি এনেকৈ থকাৰ ইংগিত দাঙি ধৰি কৈছে— '*নহ'লে আমাৰ ৰাজহাড় নাই বুলি বিশ্বই ৰৰকে হাঁহিব।*' সুধাকণ্ঠই কোনো বিদেশীক অসমীয়া বুলি স্বীকৃতি দিয়াৰ কথা কোৱা নাই। কাৰণ গীতত আছে— '*লুইতৰ পাৰৰে মাটিক মাতৃ বোলা প্ৰতি ভাৰতীয় হ'ল নতুন ৰূপৰ অসমীয়া...।*' গীতটোৰ গভীৰ অৰ্থবোধ অস্বীকাৰ কৰা অসম্ভৱ, দেশপ্ৰেম, বিশ্ব প্ৰেমৰ অৰ্থপূৰ্ণ অনুভৱ অতি গভীৰ ৰূপত আত্মপ্ৰকাশ ঘটিছে, বিশ্ব প্ৰেম বা ভূমাস্পৃহা যিদৰে মানুহৰ জন্মগত গুণ অসমীয়াৰো আছে, গতিকে মাতৃভূমিৰ দুখ-



কষ্টৰ চকুলো যদি প্ৰথমে মচিবলৈ আগ্ৰহ নজন্মে তেনেহ'লে বিদেশৰ মহিমাৰ কথাৰ মহলা মাৰিলে একো লাভ নাই; বৰঞ্চ তেনে লোক অসমীয়া হ'লেও নিজ মাতৃভূমি তথা ধৰিত্ৰীৰ একোটা বোজা। অসচেতন লোকে দেশৰ সেৱা কৰাৰ সলনি মাতৃভূমিৰ অকল্যাণ সাধন কৰাৰ লগতে বিশ্ববাসীৰ বাবে লাজৰ বিষয় হয়। কাৰণ দেশ মাতৃৰ কামত নহা লোকে দেশখনৰ সদনাম আনিব নোৱাৰে। এইখিনিতে ক'বই লাগিব যে অসমীয়া মানুহৰ এনে চাৰিত্ৰিক বৈশিষ্ট্য সুধাকণ্ঠই উপলব্ধি কৰিব পাৰিছিল। যাৰ বাবে ইমান গভীৰত গৈ কথাখিনি একেবাৰে সাধাৰণ মনুহে বুজি পাব পৰাকৈ গীতৰ ভাষা নিৰ্মাণ কৰিছিল। অসমীয়া কিছুসংখ্যক মানুহৰ বাবে দিনক দিনে অসম আজি জ্বলন্ত সমস্যাৰ আগ্নেয়গিৰিৰ পৰা ওলোৱা লাভাই পুৰি পুৰি অসমীয়া জাতিক নিঃশেষ কৰিবৰ উপক্ৰম। তেওঁ অতি খং আৰু আক্ষেপত কৈছে— '*পৃথিৱীত জনমি সচেতন নহ'লৈ, প্ৰাপ্যও থিতাতে হেৰাব।*' একৈশ শতিকাৰ প্ৰথম প্ৰহৰত যিবোৰ ঘটনাক্ৰমে মূৰ দাঙি উঠিছে, ইয়াৰ পৰা ৰক্ষা পাবলৈ বা ৰক্ষা কৰিবলৈ সকলোৱে মান্যতা পোৱা এজন মহাপুৰুষৰ জন্ম হ'ব লাগিব। যিয়ে অসমীয়াৰ জ্ঞান-বুদ্ধি দেশ মাতৃৰ বাবে সজাগ-সচেতন কৰি তুলিব পাৰে। থলুৱা বা থলগিৰি আৰু নতুন অসমীয়াক তেওঁ সোঁৱৰাব বিচাৰিছে এইবাৰে যে অসমীয়াই নিজৰ দায়িত্ববোধ পাহৰি উপৰুৱা আৰু ব্যক্তিকেন্দ্ৰিক স্বাৰ্থসিদ্ধিৰ কামত ব্যস্ত হৈ পৰিছে। সংস্কৃতিৰ বৰঘৰৰ ভোগালী, ৰঙালী সকলো আনৰ হ'ব বা বিকৃত ৰূপ ল'ব। এনে অনুভৱৰ সুধাকণ্ঠই অসমীয়া মানুহৰ প্ৰকৃতি দেখিয়ে সৌ তাহানিতে সোঁৱৰাবলগীয়া হৈছিল। গীতটোত '*আজিৰ অসমীয়াই নিজক নিচিনিলে..., আৰু 'আজিৰ অসমীয়াই নিজক নবচালে...*" দুটা অনুভৱক প্ৰকাশ কৰি অসমীয়া মানুহক একপ্ৰকাৰ সাৱধান কৰি দিছে। আনহাতে 'মগনীয়া' শব্দটোৰ ব্যৱহাৰে অসমীয়া মানুহৰ দুৰৱস্থাৰ ভয়াৱহ ইংগিতৰ উমান দিছে। 'ভগনীয়া' শব্দটোৰ ব্যৱহাৰ কৰি অসমৰ ভূমিত নিজৰ লগতে দুৰ্দশাগ্ৰস্ত লোকৰ চৰণীয়া পথাৰ হ'ব। আজি সচেতনতা কম হোৱা নাই যদিও সুধাকণ্ঠই কোৱা নিস্বাৰ্থভাৱে দেশ মাতৃৰ নামত নিজক আগবঢ়াই দিয়া লোকৰ অভাৱ ঘটিছে। সচেতনতাৰ নামত লম্ফ-জম্ফ কৰাসকলৰ বেছিভাগে ব্যক্তিস্বাৰ্থক প্ৰাধান্য দিয়াৰ ফলত অসমীয়াৰ দুৰৱস্থা বাঢ়ি গৈছে। বেজবৰুৱাই যিদৰে 'অসম সংগীত' কবিতাত স্বাভিমানৰ গৌৰৱ-ধ্বজা উৰুৱাইছে; ঠিক তেনেকৈ সুধাকণ্ঠই গীতৰ মাজেৰে সাৱধান হ'বলৈ কোৱাৰ বিশেষ যুক্তি আছে। অসম আন্দোলনৰ আগমুহূৰ্তত এই গানটোৱে প্ৰত্যেক অসমীয়াক জাতিৰ স্বাভিমান ৰক্ষা কৰিবলৈ সাহস যোগাই ছিল। অসম আন্দোলনেও এক গতি পোৱাত সহায় হৈছিল। শতবৰ্ষৰ ভূপেনদাৰ কায়া আমাৰ মাজত নহ'লেও তেওঁৰ সৃষ্টিৰাজিয়ে সকলো সংকটৰ সময়ত জগাই তোলাৰ মহান ঔষধ হিচাপে অসমীয়া জাতিৰ মকৰধ্বজ হিচাপে কাম কৰিব।

সহযোগী অধ্যাপক,
যোৰহাট মহাবিদ্যালয়,
■ ফ'ন : ৯১০১১২২৬৩৮

## নগাঁৱৰ আয়ুক্তলৈ মুকলি চিঠি

নমস্কাৰ গ্ৰহণ কৰিব। খুব টানত পৰি আপোনালৈ চিঠিখন লিখিবলগীয়া হ'ল। আপুনি নগাঁৱৰ আয়ুক্ত হিচাপে দায়িত্ব গ্ৰহণ কৰি প্ৰদান কৰা মণ্ডলৰ বদলিৰ নিৰ্দেশনাৰ পৰিণতিত এতিয়া আমাৰো বিলাই-বিপত্তি নোহোৱা হৈছে। আমাৰো মাটি সংক্ৰান্তীয় কাম এটা পুৰণি মণ্ডলজনে অন্তিম অৱস্থাত এৰি থৈ নতুন ঠাইলৈ গুচি গ'ল। এতিয়া নতুন মণ্ডলজনক আমাৰ ফাইলটোও তেওঁ দেখুৱাই নিদি আমি টকা নিদিয়াৰ বাবেই কামটো নকৰিলে বুলি জনাইছে। সেয়ে আমাৰ কামটো হৈ উঠাৰ ক্ষেত্ৰত আপুনি কিবা এটা ব্যৱস্থা গ্ৰহণ কৰিব বুলি কাতৰ অনুৰোধ জনালোঁ।

**সমুজ্জ্বল বৰা**
কলিয়াবৰ
■ ফ'ন : ৯৪৩৫০১১৬০৭